بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৬ জানুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**ওৱাকফে জাদিদৰ ৬৫ তম বছৰত জামাতৰ সদস্য বৃন্দৰ ফালৰ পৰা আগবঢ়োৱা ধন মালৰ কোৰবাণী সম্পৰ্কে বৰ্ণনা আৰু ৬৬ তম বছৰৰ শুভাৰম্ভণী সম্পৰ্কে ঘোষণা**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُولُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ছুৰা আল ইমৰাণৰ ৯৩ নং আয়াত তিলাওয়াত কৰে আৰু ইয়াৰ অনুবাদ পঢ়ি শুনাই কয় যে হজৰত মছীহ মাওউদ (আঃ)য়ে এই আয়াতৰ ব্যাখ্যা কৰোঁতে কৈছে যে তোমালোকৰ প্ৰকৃত নেকি যিয়ে মুক্তিৰ বাটলৈ লৈ যায় সেয়া কেতিয়াও বিচাৰি নেপাবা যেতিয়ালৈকে তোমালোকে খোদা তা'লাৰ বাটত সেই ধন মাল আৰু বস্তু খৰচ নকৰা যিবোৰ তোমালোকৰ অতি প্ৰিয়। গতিকে আল্লাহ তা'লাৰ ধন মাল কোৰবাণীক ইমানেই গুৰুত্ব প্ৰদান কৰিছে যে প্ৰকৃত নেকি যাৰ দ্বাৰা খোদা তা'লা সন্তুষ্ট হয়, এই চৰ্ত সাপেক্ষে যেতিয়া সেই ধনমাল খোদা তা'লাৰ সন্তুষ্টিৰ বাবে ব্যয় কৰা হ'ব তেতিয়াহে এয়া নেকিত গণ্য হ'ব। যেতিয়া নিজৰ অতি প্ৰিয় বস্তু খোদা তা'লাৰ সন্তুষ্টিৰ নিমিত্তে সৃষ্টিকুলৰ সহানুভূতিত খৰচ কৰা হয় তেতিয়া এইবোৰেই মুক্তিৰ বাট মুকলি কৰি দিয়ে।

আল্লাহ তা'লাৰ বাটত একমাত্ৰ প্ৰিয় ধনমালেই কবুল হয় আৰু সেয়া উচ্ছৰ্গা কৰি আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰিব পৰা যায়; আৰু সেয়াই হ'ল প্ৰকৃত নেকি। প্ৰকৃত বিশ্বাস আৰু ঈমান অৰ্জনাৰ্থে কৈছে **লান তানালুল বিৰৰা হাত্তা তুনফিকু মিম্মা তুহিববুনা**- অৰ্থাৎ প্ৰকৃত নেকি কেতিয়াও নোপোৱা যেতিয়ালৈকে তুমি প্ৰিয় বস্তু খৰচ নকৰিবা কাৰণ খোদা তা'লাৰ সৃষ্টি জীৱৰ সৈতে সহানুভূতিশীলতাই এটা ডাঙৰ অংকৰ ধন খৰচ কৰাৰ সৈতে সম্পৰ্কীয় আৰু ইয়াৰ প্ৰয়োজনীয়তা প্ৰকাশ কৰে। মানৱ আৰু অইন সৃষ্টিকুলৰ প্ৰতি সহানুভূতি এটা এনেকুৱা বস্তু যিটো ঈমানৰ আন আন পিঠি যাৰ অবিহনে

ঈমানে পূর্ণতা লাপায়। যেতিয়ালৈকে মানৱে এজনে আনজনৰ লাভৰ বা কল্যাণৰ কথা নাভাৱে; কেনেকৈ আনৰ কল্যাণ সাধন কৰিব। উক্ত আয়াতত পাৰস্পৰিক কল্যাণ সাধনৰ শিক্ষা আৰু নিৰ্দেশ দিয়া হৈছে। গতিকে আল্লাহৰ ৰাস্তাত ধনমাল খৰচ কৰাও মানুহৰ বাবে সৌভাগ্য আৰু তাকওৱাদাৰীৰ মান আৰু প্ৰমাণ ৰৈ আছে।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ জীৱনত লিল্লাহি ওয়াকফৰ মান আৰু প্ৰমাণ এনেকুৱা আছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে এবাৰ এটা প্ৰয়োজনত দান-বৰঙণিৰ কথা উল্লেখ কৰাত হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ ঘৰৰ সকলো বস্তু বাহানি লৈ আনি আঁহজৰত (ছাঃ)ৰ ওচৰত হাজিৰ হৈছিল। হজৰত মছীহ মাওউদ (আঃ)ৰ সময়তও এখেত (আঃ)ৰ মিচন পূৰ্ণ কৰিবলৈ আৰু লিটাৰেচৰ ছপাবলৈ আৰু ইছলাম প্ৰচাৰাৰ্থে হজৰত হাকিম মাউলানা নুৰ উদ্দিন খলিফাতুল মছীহ আউৱাল (ৰাঃ)য়েও এটা দৃষ্টান্ত ৰাখি থৈ গৈছে। তেখেত (ৰাঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)লৈ লিখিছিল যে মই আপোনাৰ ৰাস্তাত কোৰবাণী হৈছো, মোৰ য'ত সমস্ত যি আছে সেয়া মোৰ নহয় সেইবোৰ সকলো আপোনাৰ। হজৰত পীৰ ও মুৰশিদৰ মাজেৰে পূৰ্ণ একাগ্ৰতাৰে নিবেদন কৰিছোঁ এই যে মোৰ গোটেই সা-সম্পদ যদি ইছলাম প্ৰচাৰত খৰচ হৈ যায় তেন্তে মই মোৰ উদ্দেশ্যত সফলতা লাভ কৰিম।

এনেদৰে হজৰত মছীহ মাওউদ (আঃ)ৰ বহু কেইজন চাহাবা আছিল যিসকলে নিজৰ নিজৰ সামৰ্থ্য অনুযায়ী এনেকুৱা কোৰবাণী দিছিল যে হজৰত মছীহ মাওউদ (আঃ)য়ে প্ৰকাশ কৰিছিল। তেওঁলোকৰ কোৰবাণী কৰা দেখি মই আচৰিত হৈছো। কোৰবাণীৰ এই আগ্ৰহ জামাতৰ সদস্য বৃন্দৰ হৃদয়ত এনেদৰে স্থাপিত হৈছে যে হজৰত মছীহ মাওউদ (আঃ)ৰ পিছত জাৰি হোৱা নিজামে খিলাফতও আল্লাহ তা'লা সকলো সময়তে কোৰবাণী কৰোঁতা প্ৰদান কৰি গৈ আছে, যি সকলে নিজৰ স্বাৰ্থ ত্যাগ কৰি ডাঙৰ ডাঙৰ কোৰবাণী আগবঢ়াই আছে। জামাতৰ সদস্য বৃন্দই আল্লাহ তা'লাৰ কৃপাত বঢ়াই-চৰাই ইয়াত অংশ লৈ আছে। এনেকুৱা উদাহৰণ আছে যে কোৰবাণী কৰোঁতা সকলে না কেৱল জাগতিক লাভ আহৰণ কৰি আছে বৰং তেওঁলোকৰ ঈমানও বৃদ্ধি পাই আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে গোটা বিশ্বৰ দেশৰ জামাতৰ সদস্য সকলৰ ধনমাল কোৰবাণীৰ ঈমান বৰ্দ্ধক ঘটনা সমূহ বৰ্ণনা কৰোঁতে কয় যে লাইবেৰিয়াৰ পৰা এজন মোৱাল্লিম চাহাবে লিখিছে যে ওয়াকফে জাদিদৰ চান্দা আদায় লোৱাৰ বাবে নমোবাঈনৰ (নতুন বয়াতকাৰীৰ) এখন জামাতত এজন খাদিমৰ ঘৰলৈ যোৱাত তেখেতৰ মাকে ঘৰত পইচা নথকাৰ কাৰণে ক্ষমা বিচাৰে আৰু আমি তাৰ পৰা ওভতি আহো। কিছু সময় পিছত সেই খাদিমজনে খৰখেদাকৈ আহি নিজৰ স্কুলৰ ফিচ বাবদ থকা ২ শ পঞ্চাচ লাইবেৰিয়ান ডলাৰ চান্দা হিচাপে আগবঢ়ায় আৰু কয় যে আমাৰ ঘৰখন যেন এই তেহেৰিকেৰ পৰা বঞ্চিত নহয়। কিছু পিছত সেই খাদিম জনে জনায় যে তেখেতৰ এজন আত্মীয়ই তেখেতৰ স্কুলৰ ফিচ বাবদ ২৫০০ ডলাৰ তেখেতক দিছে। যাৰ পৰা তেখেতে স্কুলৰ ফিচ আদায় কৰিছে আৰু অন্যান্য প্ৰয়োজনও পূৰ্ণ কৰিছে। আল্লাহ তা'লা তেখেতৰ কোৰবাণীৰ দহ গুণ বঢ়াই

তেখেতক দান কৰিছে। এনেদৰেই আল্লাহ্ তা'লা হৃদয়ত ঈমান আৰু বিশ্বাসৰ জন্ম দি থাকে।

ভাৰতৰ পৰা ওয়াকফে জাদিদৰ ইন্সপেক্টৰ চাহাবে লিখিছে যে মালয়ালম তামিলনাডুত এখন জামাতৰ এজন মুখলিচ আহমদী যিজনে ২০১৪ চনত বয়াত কৰিছে, কয় যে যেতিয়া মই বয়াত কৰিছিলোঁ তেতিয়া মই ওৱাকফে জাদিদত চাৰি হাজাৰ টকা বাজেট বনাই আদায় দিছিলো কাৰণ তেতিয়া মোৰ এইখিনি চান্দা দিয়াৰ সামৰ্থ্য আছিল আৰু প্ৰত্যেক বছৰ মই সামৰ্থ্য অনুযায়ী চান্দাৰ পৰিমাণ বঢ়াই গৈছিলো আৰু আল্লাহ্ তা'লা ইয়াৰ কাৰণেই মোৰ ব্যৱসায়ত উন্নতি দি গৈছে। এনেদৰে কিছু দিন পিছত মোৰ ঘৰৰ বাকী সদস্য সকলেও বয়াত কৰে। আল্লাহ্ তা'লাৰ কৃপাত আজি মোৰ ওয়াকফে জাদিদৰ চান্দাৰ পৰিমাণ পাঁচ লাখ টকা হৈ গৈছে। লকডাউন চলা সত্ত্বেও এই চান্দাৰ কল্যাণত মোৰ ব্যৱসায়ত কোনো ধৰণৰ লোকচান হোৱা নাই বৰং আৰু উন্নতি হৈ আছে আৰু বাঢ়ি গৈ আজি আল্লাহ্ তা'লাৰ কৃপাত মোৰ ব্যৱসায় ভাৰতৰ পৰা ওলাই থাইলেণ্ডত বিস্তৃতি লাভ কৰিছে। এয়াই হ'ল আল্লাহ্ তা'লাৰ কৃপা। টকা খটুৱাই নিজে পৰিশ্ৰম কৰিছোঁ, আল্লাহ্ তা'লাৰ ৰাস্তাত খৰচ কৰিছোঁ,আল্লাহ্ তা'লাই তাত কেইবাগুণ বঢ়াই প্ৰদান কৰিছে।

আকৌ আন এটা উদাহৰণ আছে ভাৰতৰ জামাতৰ পৰা যেনে মালাপুৰম (কেৰেলা)ৰ মুবাল্লিগ ইনচাৰ্জ চাহাবে লিখিছে যে নাজিম চাহাব মাল আৰু ওয়াকফে জাদিদৰ ইন্সপেক্টৰ চাহাবে বছৰৰ শেষত ভ্ৰমণৰত আছিল। তাতে এজন মুখলিচ আহমদী ব্যৱসায়ী ৰহমান চাহাবৰ পৰা ফোন ক'ল আহে যে আপোনালোকে মোৰ কোম্পানিৰ অফিচলৈ আহঁক। মই মোৰ কোম্পানিত এটা নতুন বিভাগ খুলিছো তাতে দোৱা কৰিব লাগিব। যেতিয়া আমি তাতে গৈ উপস্থিত হওঁ, ৰহমান চাহাবে কোনো কথা বতৰা নাপাতি পোনে পোনে দহ লাখ টকাৰ এটা চেক কাটি আমাৰ হাতত দিয়ে আৰু কয় যে এই টকাখিনি মই নিজৰে এটা সম্পত্তি ৰেজিষ্ট্ৰাৰ কৰিবলৈ ৰাখি থৈছিলো কিন্তু আপোনালোকে অহাৰ কাৰণে এয়া ওয়াকফে জাদিদৰ চান্দাত দি দিলো আৰু ৰেজিষ্ট্ৰাৰৰ তাৰিখ পিছুৱাই দিলো। কিছুদিন পিছত জনাব ৰহমান চাহাবে জনায় যে তেখেত বিনা পৰিশ্ৰমতে এটা ডাঙৰ অংকৰ ধন পাই গৈছে যিটো তাৰ প্ৰয়োজনতকৈ অধিক আছিল।

ইণ্ডোনেচীয়াৰ আমিৰ চাহাবে লিখিছে যে এখন সৰু জামাতৰ সদস্য আব্দুৰ ৰহমান চাহাবে কৈছে যে প্ৰত্যেক বছৰেই ওয়াকফে জাদিদৰ চান্দা দি থাকো। ২০১৯ আৰু ২০২০ চন এই বছৰ দুটাত মোৰ বৰ অনাটন আছিল। নতুন ব্যৱসায় আৰম্ভ কৰাত মই চাকৰিও এৰি দিছিলো। সেই ব্যৱসায় অচল হৈ পৰাত মোৰ হাতত থকা জমা ধন শেষ হৈ যায় আৰু ওয়াকফে জাদিদৰ চান্দা আদায় দিয়াৰ উপায় নোহোৱা হৈ পৰে। প্ৰত্যেক দিনাই তাহাজ্জুদৰ নামাজতও দোৱা কৰি থাকো আৰু খলিফাতুল মছীহৰ ওচৰত পত্ৰ লিখো। যিয়েই নহওঁক কিবা উপায়েৰে ওয়াকফে জাদিদৰ চান্দা আদায় দিয়াৰ কিছুদিন পিছত সেই ঠাইৰ পৰা আকৌ মোক চাকৰিৰ কাৰণে মাতি পঠিয়ায় যি ঠাইত মই সাত বছৰমান আগতে চাকৰি ইস্তেফা দি গুচি আহিছিলো। এয়া একমাত্ৰ আল্লাহ্ তা'লাৰ কৃপা যে ৫১ বছৰ বয়সত

আহি এটা স্থায়ী আমদানিৰ উপায় উলিয়ালে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ছেনেগাল,ছেৰালিউন,গাম্বিয়া,কঙ্গো,কিনছাহা আৰু মেছেডোনীয়াৰ জামাতী সদস্য সকলৰ আৰু কিছুমান ঈমান উদ্দীপক ঘটনাৱলী বৰ্ণনা কৰাৰ পিছত কয় যে আল্লাহ তা'লাই এই সকল কোৰবাণী কৰোঁতাক নিজৰ মান উন্নত কৰিবলৈ তৌফিক দান কৰক। আনহাতে যিসকলৰ আৰ্থিক অৱস্থা ভাল আছে কিন্তু কোৰবাণী কৰাৰ মানদণ্ড নিম্ন হৈ আছে তেওঁলোকে হজৰত মছীহ মাওউদ (আঃ)ৰ কথাবোৰ বুজি পাওঁক যে খোদা তা'লা কাৰো খিদমতৰ ভোকাল নহয়। এয়া তোমালোকৰ ওপৰত কৃপা যে সি তোমালোকৰ খিদমত কৰাৰ এটা সুবিধা দিছে। আল্লাহ তা'লাই জামাতৰ আমিৰ ব্যক্তি সকলক হজৰত মছীহ মাওউদ (আঃ)ৰ কথাবোৰ বুজি পোৱাৰ তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ২০২৩ চনত ওয়াকফে জাদিদৰ ৬৬ তম বছৰৰ ঘোষণা কৰি কয় যে ওয়াকফে জাদিদৰ চান্দা যোৱা বছৰটোত জামাতৰ সদস্য সকলে ১ কোটি ২২ লাখ ১৫ হাজাৰ পাউণ্ড কোৰবাণী কৰিছে। এই সমূহ ধন জগতৰ অৰ্থনৈতিক অৱস্থা ভাল নোহোৱা সত্ত্বেও যোৱা বছৰতকৈ ৯ লাখ ২৮ হাজাৰ পাউণ্ড বেছি আদায় দিছে। আলহামদুলিল্লাহ-

হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াৰ পিছত আদায়কৃত ধনৰ হিচাপত বিশ্বৰ বিভিন্ন জামাতৰ পজিচন ঘোষণা কৰে। এই ক্ৰমিকত প্ৰথম দহ খন জামাতৰ পজিচন হ'ল মিডল ইষ্ট, কানাডা, জাৰ্মানি, আমেৰিকা, ভাৰত, অষ্ট্ৰেলিয়া, মিডল ইষ্টৰ এখন জামাত, ইণ্ডোনেচীয়া, মিডল ইষ্টৰ আন এখন জামাত আৰু বেলজিয়াম।

সদস্য সংখ্যাৰ ওপৰত ভিত্তি কৰি বিভিন্ন দেশৰ আদায়ৰ স্থান হ'ল এনেদৰে আমেৰিকা, ছুইজাৰলেণ্ড,বৃটেইন,অষ্ট্ৰেলিয়া আৰু কানাডা।

আফ্ৰিকাত সমূহীয়া ভাৱে আদায় দিয়াৰ হিচাপত প্ৰথম দহখন জামাত হ'ল, ঘানা,মৰিছাচ, নাইজেৰিয়া,বৰকিনাফাচো,তানজানিয়া,লাইবেৰিয়া,গাম্বিয়া,উগাণ্ডা,বেনিন আৰু ছেৰালিউন।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বছৰ বাজেটত অংশ গ্ৰহণকাৰীৰ সংখ্যা ৬১ হাজাৰ মুখলিচিনৰ যোগ হৈ মুঠ সদস্য সংখ্যা হৈছে ১৫ লাখ ৬ হাজাৰ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে বৃটেইন,কানাডা, জাৰ্মানি, আমেৰিকা, পাকিস্তান,ভাৰত আৰু অষ্ট্ৰেলিয়া আদি দেশৰ জামাতবোৰৰ পজিচন বৰ্ণনা কৰে। এই বৰ্ণনা অনুযায়ী চান্দা আদায় দিয়াৰ হিচাপত ভাৰতৰ প্ৰথম দহ খন জামাত হ'ল, ৰাজ্যিক হিচাপে, কেৰেলা, তামিলনাডু,কৰ্ণাটক,জম্মু কাশ্মিৰ,তেলেঙ্গানা,উৰিষ্যা,পঞ্জাৱ,পশ্চিম বংগ,মহাৰাষ্ট্ৰ, দিল্লী। আৰু জামাত হিচাপে প্ৰথম দহখন জামাত হ'ল কুয়েম্বটোৰ,হায়দৰাবাদ,কাদিয়ান,কেৰুলাই, পাথপ্ৰেম,বাঙ্গালুৰু,মেলাপালায়েম,কলিকতা,কালিকট আৰু কেৰেং জামাত। হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱা কৰি কয় যে আল্লাহ তা'লা সকলো ধন মাল প্ৰাণত অসীম বৰকত দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ، عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 6 JANUARY 2023**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**